উজু গণিত-১

প্রথম শ্রেণী

গ্রহিলচ্

উজু গণিত-১

(প্ৰথম শ্ৰেণীৰ বাবে)

প্ৰণেতা

গ্ৰুহিলচ্ লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

UJU GANIT-I- A TEXT BOOK ON MATHEMATICS FOR CLASS-I composed by Growhills Publishing Board, edited by Growhills Publishing Editorial Board and Published by Growhills Publishing.

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying, recording or otherwise.

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

Any dispute is subject to Barpeta Jurisdiction.

Internet Edition: 2019

Price : Rs .... /-

Published by
GROWHILLS PUBLISHING
KAMALPUR, BARPETA (ASSAM)

পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ আগকথা

১

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত আমাৰ অসমৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভুগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভুগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভুগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰুহলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰুহলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰুহলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰুহলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে বিশিষ্ট শিক্ষাবিদ,গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথি প্ৰণয়ন কৰোতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিৱেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি দৃষ্টি ৰখা হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

২

উজু গণিত-১ কিতাপখন প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰণয়ন কৰা হৈছে। গণিত হৈছে আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা অতি জৰুৰী বিষয়। সেয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ নিৰ্দ্দেশ আৰু পৰামৰ্শ মতে স্কুলীয়া শিক্ষাৰ প্ৰথম শ্ৰেণীৰ পৰাই গণিত বিষয়টো পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বয়স আৰু মনস্তত্ত্বৰ প্ৰতি লক্ষ্য ৰাখি উজু গণিত -১ পুথিখনত গণিতৰ আৰম্ভণিসূচক সংখ্যা জ্ঞান, গণিতত ব্যৱহাৰ হোৱা সৰল চিনবোৰ, বিভিন্ন আকাৰৰ ধাৰণা, সৰল যোগ আৰু সৰল বিয়োগ শিকোৱাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আমাৰ পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ মূল নীতি অনুসৰি আমাৰ দ্বাৰা প্ৰণয়ন কৰা সকলো পাঠ্যপুথিত অবাঞ্চিত বাহুল্যতা এৰাই চলা হৈছে যদিও ল'ৰা-ছোৱালীক অতি সহজে বিষয়-বস্তুৰ জ্ঞান দিবলৈ যথেষ্ট উদাহৰণ আৰু আৰ্হিৰ অৱতাৰণা কৰা হৈছে। প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাজ্ঞান কম থাকে আৰু প্ৰথম শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ ভাষা জ্ঞান নাথাকে বুলিয়েই ক'ব পাৰি। সেয়ে গণিত বিষয়টো শিকাওতে পাঠত অন্তৰ্ভুক্ত বিষয়, অনুশীলনী, শ্ৰেণী-কৰ্ম আদি শিক্ষকে ছাত্ৰ-ছাত্ৰীক বুজাই দিব লগতে শিক্ষক-শিক্ষয়িত্ৰীয়েও নিজৰ ফালৰ পৰা স্থানীয় পৰিৱেশ আৰু সংস্কৃতিৰ লগত সংগতি ৰাখি যথেষ্ট উদাহৰণ দাঙি ধৰি গণিত বিষয়টো আমোদজনক কৰি তুলিব।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল ব্যক্তিৰ লগতে কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগিতা আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

চেপ্তেম্বৰ, ২০১৬

প্ৰকাশক
গ্ৰুহিলচ্ পাব্লিশ্বিং

সূচীপত্ৰ

গোট - ১

অধ্যায় - ১ ১-ৰ পৰা ১০ লৈ সংখ্যাজ্ঞান / ৫

অধ্যায় - ২ ১ৰ পৰা ১০০ লৈ সংখ্যাজ্ঞান / ১০

অধ্যায় - ৩ গণনা কৰোঁ আহা / ১২

অধ্যায় - ৪ অংকত ব্যৱহাৰ হোৱা চিনবোৰ / ১৮

গোট - ২

অধ্যায় - ৫ সংখ্যা লিখাৰ নিয়ম /২১

অধ্যায় - ৬ সৰল যোগ /২৪

অধ্যায় - ৭ যোগ নেওতা / ২৮

গোট - ৩

অধ্যায় - ৮ বস্তুৰ আকাৰ বা গঠনৰ ধাৰণা / ৩১

অধ্যায় - ৯ সৰল বিয়োগ / ৩৪

অধ্যায় - ১০ বিয়োগ নেওতা / ৩৭

গোট-১

অধ্যায়- ১

১-ৰ পৰা ১০ লৈ সংখ্যাজ্ঞান

সংখ্যা হৈছে গণনা কাৰ্যত ব্যৱহাৰ কৰা কিছুমান চিন বা প্ৰতীক। যেনেঃ ১, ২, ৩, ৪ ইত্যাদি। পৃথিৱীৰ প্ৰায় সকলোবোৰ লিখিত ভাষাত গণনা কৰাৰ চিন হিচাপে কিছুমান সংখ্যা বা প্ৰতীক আছে। তলত ১-ৰ পৰা ১০ লৈ অসমীয়া সংখ্যাবোৰ দেখুওৱা হ'ল ঃ

১ (এক)	
২ (দুই)	
৩ (তিনি)	
৪ (চাৰি)	
৫ (পাঁচ)	
৬ (ছয়)	
৭ (সাত)	
৮ (আঠ)	
৯ (ন)	
১০ (দহ)	

অনুশীলনী

১। তলত দিয়া সংখ্যাবোৰ ডাঙৰকৈ পঢ়া আৰু তাৰ সোঁফালে থকা খালী ঘৰবোৰত সংখ্যাবোৰ লিখা।

১ (এক)	১	১	১	১	১	১
২ (দুই)	২	২	২	২	২	২

৩ (তিনি)



৩	৩	৩	৩	৩	৩

৪ (চাৰি)



৪	৪	৪	৪	৪	৪

৫ (পাঁচ)

৫	৫	৫	৫	৫	৫

৬ (ছয়)



৬	৬	৬	৬	৬	৬

৭ (সাত)

৭	৭	৭	৭	৭	৭

৮ (আঠ)

৮	৮	৮	৮	৮	৮

৯ (ন)



৯	৯	৯	৯	৯	৯

১০ (দহ)



১০	১০	১০	১০	১০	১০

২। তলত দিয়া সংখ্যাবোৰৰ পিছৰ সংখ্যা বহুৱাই খালী ঘৰবোৰ পূৰণ কৰা।

১		৩		৫		৭		৯	

৩। তলত দিয়া সংখ্যাবোৰৰ আগৰ সংখ্যা বহুৱাই খালী ঘৰবোৰ পূৰণ কৰা।

	২		৪		৬		৮		১০

শিক্ষকলৈ টোকা ঃ *প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভাষা জ্ঞান নাথাকে। সেয়ে শিক্ষকে নিজে পঢ়ি বুজাই দিব।*

অধ্যায়- ২

১-ৰ পৰা ১০০ লৈ সংখ্যাজ্ঞান

অধ্যায় -১ ত অসমীয়া প্ৰাথমিক সংখ্যাবোৰ (১ -ৰ পৰা ১০ লৈ) দিয়া হৈছে। এই প্ৰাথমিক সংখ্যাবোৰৰ সহায়ত আমি যিকোনো দৈৰ্ঘৰ সংখ্যা লিখিব পাৰোঁ। তলত ১-ৰ পৰা ১০০লৈ অসমীয়া সংখ্যাবোৰৰ তালিকা দিয়া হ'ল।

১	১১	২১	৩১	৪১	৫১	৬১	৭১	৮১	৯১
২	১২	২২	৩২	৪২	৫২	৬২	৭২	৮২	৯২
৩	১৩	২৩	৩৩	৪৩	৫৩	৬৩	৭৩	৮৩	৯৩
৪	১৪	২৪	৩৪	৪৪	৫৪	৬৪	৭৪	৮৪	৯৪
৫	১৫	২৫	৩৫	৪৫	৫৫	৬৫	৭৫	৮৫	৯৫
৬	১৬	২৬	৩৬	৪৬	৫৬	৬৬	৭৬	৮৬	৯৬
৭	১৭	২৭	৩৭	৪৭	৫৭	৬৭	৭৭	৮৭	৯৭
৮	১৮	২৮	৩৮	৪৮	৫৮	৬৮	৭৮	৮৮	৯৮
৯	১৯	২৯	৩৯	৪৯	৫৯	৬৯	৭৯	৮৯	৯৯
১০	২০	৩০	৪০	৫০	৬০	৭০	৮০	৯০	১০০

শিক্ষকলৈ টোকা ঃ *প্ৰাথমিক সংখ্যাবোৰৰ সহায়ত আমি কেনেকৈ যিকোনো দৈৰ্ঘৰ সংখ্যা লিখিব পাৰোঁ, সেয়া শিক্ষকে যথেষ্ট উদাহৰণৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিব।*

অনুশীলনী

১। ১ ৰ পৰা ১০০ লৈ সংখ্যাবোৰ তোমাৰ কপি বুকত লিখা অভ্যাস কৰা।

২। তলত দিয়া সংখ্যাবোৰৰ পৰৱৰ্তী সংখ্যাবোৰ খালী ঘৰবোৰত লিখা।

১১		১৩		১৫		১৭		১৯	
২১	২২			২৫	২৬			২৯	৩০
	৩২		৩৪		৩৬		৩৮		৪০
৪১		৪৩			৪৬	৪৭		৪৯	

৩। তলত দিয়া খালী ঘৰবোৰত উপযুক্ত সংখ্যা বহুৱা।

	৫২		৫৪		৫৬		৫৮		৬০
৬১		৬৩		৬৫		৬৭		৬৯	
		৭৩		৭৫			৭৮		৮০
৮১	৮২		৮৪		৮৬		৮৮		৯০
		৯৩		৯৫			৯৮	৯৯	

৪। ৫১ ৰ পৰা ৭০ লৈ সংখ্যাবোৰ তোমাৰ কপি বুকত দহ বাৰ লিখা।

৫। ৭১ ৰ পৰা ১০০ লৈ সংখ্যাবোৰ তোমাৰ কপি বুকত দহ বাৰ লিখা।

অধ্যায়-৩
গণনা কৰোঁ আহাঁ

আগৰ অধ্যায়বোৰত আমি ১-ৰ পৰা ১০০ লৈ অসমীয়া সংখ্যাবোৰ শিকি আহিছোঁ। এই অধ্যায়ত আমি সংখ্যাৰ ব্যৱহাৰৰ বিষয়ে শিকিম। সাধাৰণতে গণনা কৰাৰ সুবিধাৰ বাবে সংখ্যা উদ্ভাৱন কৰা হৈছে। গণনা বুলিলে কোনো বস্তুৰ সংখ্যা বা পৰিমাণ জানিবলৈ কৰা হিচাপক বুজায়। যেনে ঃ



এটা চৰাই ১



দুটা ছাগলী ২



তিনিটা ভেড়া ৩



চাৰিটা নিগনি ৪



পাঁচটা পখিলা ৫



ছয়খন কিতাপ ৬



সাতটা ঘন্টা ৭

আঠখন ঘড়ী ৮

নটা বল ৯

দহটা আইচক্রীম ১০

এঘাৰটা লাটুম ১১

সাধাৰণতে এটা সংখ্যাৰ পিছৰ সংখ্যাবোৰৰ মান ক্ৰমান্বয়ে এক এক কৈ বাঢ়ি যায়। সেয়ে কোনো ক্ৰমিক সংখ্যাৰ পিছৰ সংখ্যাবোৰৰ মান ডাঙৰ হয় আৰু আগৰ সংখ্যাবোৰৰ মান সৰু হয়। যেনে ঃ

১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ৯ ১০

ওপৰৰ এই সংখ্যাবোৰৰ মান এক এক কৈ বাঢ়ি গৈছে। অৰ্থাৎ ২ ৰ মান ১ তকৈ ১ বেছি, ৩ ৰ মান ২ তকৈ ১ বেছি, ৪ ৰ মান ৩ ত কৈ ১ বেছি, ৫ ৰ মান ৪ তকৈ ১ বেছি, ৬ ৰ মান ৫ তকৈ ১ বেছি, ৭ ৰ মান ৬ তকৈ ১ বেছি। এইদৰে যিমানে সংখ্যাৰ ক্ৰমবোৰ বাঢ়ি যায় সিমানে ইয়াৰ মানবোৰ এক এক কৈ বাঢ়ি যায়। অৰ্থাৎ পিছৰ সংখ্যাবোৰৰ ডাঙৰ হয় আৰু আগৰ সংখ্যাবোৰ সৰু হয়। যেনে ঃ ১ ৰ পিছৰ সংখ্যা ২ আৰু ই ১ তকৈ ডাঙৰ। তেনেদৰে ৬ ৰ পিছৰ সংখ্যা ৭ আৰু ই ৬ তকৈ ডাঙৰ।

অনুশীলনী

১। তলত দিয়া ছবিবোৰ গণনা কৰি সোঁফালে বাকচত সিহঁতৰ সংখ্যা লিখা।













২। তলত দিয়া সংখ্যাবোৰ ক্ৰমিকভাৱে সজাই পুনৰ লিখা ঃ

২ ৩ ১ ৪ ৭ ৬ ৫ ৯ ৮ ১০ ২২ ২১

২০ ১২ ১৪ ১৩ ১৭ ১৬ ১৫ ১৯ ১৮ ১১

২৮ ২৩ ২৭ ২৪ ২৬ ২৫ ৩০ ২৯ ৩২ ৩১

৩। তলৰ ঘৰবোৰত দিয়া সংখ্যাৰ ভিতৰত কোনটোৰ মান ডাঙৰ কোৱা ?

৩	৪	৫	৪	৭	২	৮	৯	১২	১১
১৩	১০	১৫	১৪	১৭	১৬	১৮	২০	২১	২২

৪। তলৰ ঘৰবোৰত দিয়া সংখ্যাৰ ভিতৰত কোনটোৰ মান সৰু কোৱা ?

২	৪	৬	৫	৭	৯	২	৯	১৩	১০
৯	১৪	১৩	১৪	১৬	১৯	১৮	২০	২২	২১

৫। তলৰ প্ৰতিটো শাৰীত কেইটা ছবি আছে গণনা কৰি সোঁফালৰ ঘৰবোৰত সেইকেইটা আঁচ দিয়া।



শিক্ষকলৈ টোকা ঃ *অধ্যায়টো শিকাওঁতে শিক্ষকে বাস্তৱ জীৱনৰ পৰা বিভিন্ন উদাহৰণ দাঙি ধৰি গণনা কৰাৰ ধাৰণা বুজাই দিব।*

অধ্যায়- ৪

অংকত ব্যৱহাৰ হোৱা চিনবোৰ

সংখ্যাৰ জৰিয়তে হিচাপ-নিকাচ কৰাক অংক বোলে। অংক কৰোঁতে কিছুমান চিন ব্যৱহাৰ কৰা হয়। তলত সাধাৰণতে ব্যৱহাৰ হোৱা কেইটামান চিন দেখুওৱা হ'ল ঃ

১। যোগ	+
২। বিয়োগ	—
৩। পূৰণ	×
৪। হৰণ	÷
৫। দশমিক	.
৬। সমান চিন	=
৭। প্ৰথম বা চন্দ্ৰ বন্ধনীৰ চিন	( )
৮। কুটিল বন্ধনীৰ চিন	{ }
৯। ডাঙৰ বন্ধনীৰ চিন	[ ]
১০। কম বা সৰু	<
১১। বেছি বা ডাঙৰ	>
১২। শতাংশৰ চিন	%
১৩।টোকা চিন (তৰা চিন)	★

শিক্ষকলৈ টোকা ঃ *অধ্যায়টো বুজাওঁতে শিক্ষকে অংকত ব্যৱহাৰ হোৱা চিনবোৰৰ বিষয়ে সামান্য ধাৰণাহে দিব; পুংখানুপুংখ আলোচনা নকৰিব।*

অনুশীলনী

১। অংক কাক কয় কোৱা ?

২। তলত দিয়া চিনবোৰ কি চিন কোৱাঃ

—	+	×	
÷	★	=	
( )	{ }	[ ]	
<	>	%	.

২। তলত অংকত ব্যৱহাৰ হোৱা চিন বা প্ৰতীকৰ নাম দিয়া হৈছে। সিহঁতৰ সোঁফালে খালী ঘৰবোৰত চিনবোৰ লিখা ঃ

৩। পূৰণ

১। যোগ

২। বিয়োগ

৪। হৰণ

৭। প্ৰথম বা চন্দ্ৰ বন্ধনীৰ চিন

৮। কুটিল বন্ধনীৰ চিন

৯। ডাঙৰ বন্ধনীৰ চিন

৫। দশমিক

৬। সমান চিন

১১। বেছি বা ডাঙৰ

১২। শতাংশৰ চিন

১০। কম বা সৰু

মূল্যায়ন-১

প্ৰথম গোট শেষ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণ কাৰ্যাৱলীৰ অগ্ৰগতি সম্পৰ্কে বুজ ল'বলৈ গোট পৰীক্ষা অনুষ্ঠিত কৰা উচিত। কিন্তু প্ৰতিটো গোট পৰীক্ষা অনুষ্ঠিত কৰাৰ আগতে কমেও দুবাৰ পুনৰালোচনা কৰা অতি জৰুৰী। প্ৰত্যেক শিক্ষাবৰ্ষত সাধাৰণতে চাৰিটা গোট পৰীক্ষা অনুষ্ঠিত কৰা হয়। সাধাৰণতে প্ৰতিটো গোট পৰীক্ষা প্ৰতি দুমাহৰ অন্তত অৰ্থাৎ প্ৰতি তৃতীয় মাহত অনুষ্ঠিত কৰা উচিত। গোট পৰীক্ষা বিষয় শিক্ষকৰ দ্বাৰা নিজাববীয়াকৈ অথবা বিদ্যালয়ৰ অন্যান্য শ্ৰেণীৰ লগত একেলগেও অনুষ্ঠিত হ'ব পাৰে।

গণিত বিষয়ৰ এক আৰ্হি প্ৰশ্ন কাকত তলত দেখুওৱা হ'লঃ

প্ৰথম গোট পৰীক্ষা
প্ৰথম শ্ৰেণী
বিষয় ঃ গণিত

মুঠ নম্বৰঃ ২৫ **সময়ঃ ১ ঘন্টা**

১। ১ ৰ পৰা ১০ লৈ সংখ্যাবোৰ লিখা। ৫

২। তলত দিয়া সংখ্যাবোৰৰ পিছৰ সংখ্যা বহুৱাই খালী ঘৰবোৰ পূৰণ কৰা। ৫

১		৩		৫		৭		৯	

৩। তলত দিয়া সংখ্যাবোৰ ক্ৰমিকভাৱে সজাই পুনৰ লিখা। ৫

১ ৩ ২ ৪ ৬ ৫ ৮ ৯ ৭ ১০

৪। তলৰ ঘৰবোৰত দিয়া এযোৰ সংখ্যাৰ ভিতৰত ডাঙৰটোৰ চাৰিওপিনে ঘূৰণীয়া চিনেৰে চিহ্নিত কৰা। ৫

৩	৪	২	১	৫	৬	৮	৭	১০	৯

৫। তলৰ দিয়া ছবিবোৰ গণনা কৰি সিহঁতৰ সংখ্যা সোঁহাতে থকা ঘৰবোৰত লিখা। ২





৪। তলত দিয়া চিনবোৰৰ কোনটোক কি চিন বুলি কোৱা হয় কাষৰ বাকচৰ ভিতৰত লিখা। ৩

— ☐ + ☐ × ☐

শিক্ষকলৈ টোকা ঃ ওপৰত দিয়া প্ৰশ্ন কাকতখন চৰম নহয়। ইয়াক অকল এক আৰ্হি হিচাপেহে দেখুওৱা হৈছে। শিক্ষকে নিজৰ মতে প্ৰশ্নকাকত প্ৰস্তুত কৰিব। বিদ্যালয়ত গোট পৰীক্ষা অনুষ্ঠিত কৰাৰ আগতে বিষয় শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক উক্ত আৰ্হি প্ৰশ্নকাকতখন বুজাই দি সমাধান কৰিবলৈ দিব পাৰে।

গোট-২

অধ্যায়-৫

সংখ্যা লিখাৰ নিয়ম

আমি পঢ়োতে বাওঁফালৰ পৰা সোঁফালে পঢ়ি যাওঁ যদিও যোগ, বিয়োগ, পূৰণ আদি অংক কৰোতে সংখ্যাবোৰ সোঁফালৰ পৰা বাওঁফালে লিখা হয়। সোঁফালৰ পৰা বাওঁপিনে ক্ৰমান্বয়ে একক, দহক, শতক, হাজাৰ, অযুত, লাখ, নিযুত আৰু কৌটি। তলত দেখুওৱা ধৰণে এটা সংখ্যা অকলে বহিলে একক, বাওঁফাললৈ বৃদ্ধি কৰি নিলে দুটাত দহক, তিনিটাত শতক, চাৰিটাত হাজাৰ, পাঁচটাত অযুত, ছয়টাত লাখ, সাতটাত নিযুত আৰু আঠটাত কৌটি বুজায়।

কৌটি	নিযুত	লাখ	অযুত	হাজাৰ	শতক	দহক	একক
							১
						১	০
					১	০	০
				১	০	০	০
			১	০	০	০	০
		১	০	০	০	০	০
	১	০	০	০	০	০	০
১	০	০	০	০	০	০	০

এটা অংকেৰে লিখা (১ ৰ পৰা ৯ লৈ) সংখ্যাবোৰক একক সংখ্যা, দুটা অংকেৰে লিখা (১০ ৰ পৰা ৯৯) লৈ লিখা সংখ্যাবোৰক

দহক সংখ্যা, তিনিটা অংকেৰে লিখা (১০০ ৰ পৰা ৯৯৯ লৈ) সংখ্যাবোৰক শতক সংখ্যা বুলি ক'ব পাৰি। আমি কোনো সংখ্যা লিখোঁতে সোঁফালৰ পৰা বাওঁ ফালে লিখিব লাগে। উদাহৰণ স্বৰূপে ১০ সংখ্যাটো লিখোতে আমি প্ৰথমতে সোঁফালৰ ০ সংখ্যাটো লিখি তাৰ বাওঁফালে ১ লিখিব লাগে। সেইদৰে ১০০ সংখ্যাটো লিখোতে প্ৰথমতে এককৰ ঘৰত এটা ০, দ্বিতীয়তে দহকৰ ঘৰত এটা ০ লিখি তাৰ বাওঁপিনে শতকৰ ঘৰত ১ লিখিব লাগে। অৰ্থাৎ আমি ১০০ সংখ্যাটো তলত দিয়া ধৰণে লিখোঁ ঃ

শতক	দহক	একক
১	০	০

তেনেদৰে আমি ১০০০ সংখ্যাটো লিখিবলৈ হ'লে সোঁফালৰ পৰা বাওঁপিনে ক্ৰমান্বয়ে এককৰ ঘৰত এটা ০, দহকৰ ঘৰত এটা ০, শতকৰ ঘৰত এটা ০ আৰু হাজাৰৰ ঘৰত ১ লিখিব লাগে। অৰ্থাৎ আমি ১০০০ সংখ্যাটো তলত দিয়া ধৰণে লিখোঁ ঃ

হাজাৰ	শতক	দহক	একক
১	০	০	০

তেনেদৰে আমি ১০০০০০ সংখ্যাটো লিখিবলৈ হ'লে সোঁফালৰ পৰা বাওঁফালে ক্ৰমান্বয়ে এককৰ ঘৰত এটা ০, দহকৰ ঘৰত এটা ০, শতকৰ ঘৰত এটা ০, হাজাৰৰ ঘৰত এটা ০, অযুতৰ ঘৰত এটা ০ আৰু লাখৰ ঘৰত ১ লিখিব লাগে। অৰ্থাৎ আমি ১০০০০০ সংখ্যাটো তলত দিয়া ধৰণে লিখোঁ ঃ

লাখ	অযুত	হাজাৰ	শতক	দহক	একক
১	০	০	০	০	০

অনুশীলনী

১। অংক কৰোঁতে সংখ্যাবোৰ কোন ফালৰ পৰা বহুৱাব লাগে কোৱাঁ।

২। একক সংখ্যাবোৰ কি কি ?

৩। তলত দিয়া সংখ্যাবোৰৰ এককৰ ঘৰৰ অংকৰ চাৰিওপিনে ঘূৰণীয়া চিন দি চিহ্নিত কৰা। এটা তোমাৰ বাবে কৰি দিয়া হৈছে।

১০, ৭৫, ১০০, ২০১, ৩০৫

৪। তলত দিয়া সংখ্যাবোৰৰ দহকৰ ঘৰৰ অংকৰ চাৰিওপিনে ঘূৰণীয়া চিন দি চিহ্নিত কৰা। এটা তোমাৰ বাবে কৰি দিয়া হৈছে।

১০, ৪৫, ১০২, ২০৪, ৪০৫

৫। তলত দিয়া সংখ্যাবোৰৰ শতকৰ ঘৰৰ অংকৰ চাৰিওপিনে ঘূৰণীয়া চিন দি চিহ্নিত কৰা। এটা তোমাৰ বাবে কৰি দিয়া হৈছে।

১০০ ১৩৫ ১৭৮ ২০১ ২২১

৬। তলত দিয়া সংখ্যাবোৰৰ হাজাৰৰ ঘৰৰ অংকৰ চাৰিওপিনে ঘূৰণীয়া চিন দি চিহ্নিত কৰা। এটা তোমাৰ বাবে কৰি দিয়া হৈছে।

১২৩০ ১২৫০ ১৭৮১ ২০১১ ৬২১৩

৭। তলত দিয়া সংখ্যাবোৰৰ দহকৰ ঘৰৰ আৰু হাজাৰৰ ঘৰৰ অংকৰ চাৰিওপিনে ঘূৰণীয়া চিন দি চিহ্নিত কৰা। এটা তোমাৰ বাবে কৰি দিয়া হৈছে।

১১৩১ ১৩৫২ ১৫৮০ ২০৩১ ৪২১৭

টোকা ঃ শূন্য (০) অকলে থাকিলে ইয়াৰ কোনো মূল্য নাই। ই আন সংখ্যাৰ লগত থাকিলেহে ইয়াৰ মূল্য নিৰূপিত হয়। কোনো সংখ্যাৰ সোঁফালে শূন্য বহুৱালে ইয়াৰ মূল্য দহগুণ বাঢ়ি যায়। যেনে ঃ

১ ৰ সোঁফালে এটা শূন্য বহুৱালে ১০ হয়

৩ ৰ সোঁফালে এটা শূন্য বহুৱালে ৩০ হয়।

শিক্ষকে শূন্যৰ ব্যৱহাৰ আৰু অংক বহুৱাৰ নিয়ম যথেষ্ট উদাহৰণৰ সৈতে বুজাই দিব।

অধ্যায়-৬

সৰল যোগ

বস্তু একেলগ কৰা বা লগলগোৱাকে যোগ কৰা বোলে। যোগ বুজাবলৈ গণিতত '+' চিন ব্যৱহাৰ কৰা হয়। যেনেঃ

১ টা বল।



১টা বল + আৰু ১ টা বল = ২টা বল



২টা বল + আৰু ১ টা বল = ৩টা বল



৩টা বল + আৰু ২ টা বল = ৫টা বল

ঠিক সেইদৰে,



২ + ৩ = ৫

অংক কৰোঁতে সাধাৰণতে ডাঙৰ সংখ্যাবোৰ ওপৰত লিখা হয় আৰু সৰু সংখ্যাবোৰ তলত বহুওৱা হয়। যোগ অংক কৰোঁতে তলত লিখা সংখ্যাটোৰ বাওঁপিনে যোগ চিন (+) বহুৱা হয়। যেনে ঃ

২	৩	৪	৫
+ ১	+ ১	+ ২	+ ৩
৩	৪	৬	৮
উত্তৰ ঃ ৩	উত্তৰ ঃ ৪	উত্তৰ ঃ ৬	উত্তৰ ঃ ৮

অংক কৰোঁতে সাধাৰণতে ডাঙৰ সংখ্যাবোৰ ওপৰত লিখা হয় যদিও ওপৰত সৰু সংখ্যা আৰু তলত ডাঙৰ সংখ্যা বহুৱায়ো অংক কৰিব পাৰি। যেনে ঃ

১	১	৩	২
+ ২	+ ৩	+ ৫	+ ৩
৩	৪	৮	৫
উত্তৰ ঃ ৩	উত্তৰ ঃ ৪	উত্তৰ ঃ ৮	উত্তৰ ঃ ৫

যোগ কৰিবলগীয়া কোনো সংখ্যাৰ ওপৰত বা তলত ০ (শূন্য) থাকিলে সেই ০ (শূন্য) যোগ নহয় কাৰণ শূন্য অকলে এটা সংখ্যা হিচাপে বহিলে বা কোনো সংখ্যাৰ একেবাৰে বাওঁপিনে বহিলে তাৰ মান নহয়। যেনে ঃ

০	১	০	৪
+ ২	+ ০	+ ১	+ ০
২	১	১	৪
উত্তৰ ঃ ২	উত্তৰ ঃ ১	উত্তৰ ঃ ১	উত্তৰ ঃ ৪

অনুশীলনী

১। তলত দুশাৰীকৈ দিয়া ছবিবোৰ গণনা কৰি প্ৰতিশাৰীৰ সোঁফালে থকা ঘৰত ছবিবোৰৰ সংখ্যা বহুৱাই দুয়োশাৰীত থকা ছবিৰ সংখ্যা যোগ কৰা ।এটি তোমাৰ বাবে কৰি দিয়া হৈছে।



২

১

৩

উত্তৰ ঃ ৩



উত্তৰ ঃ ....

উত্তৰ ঃ ....



উত্তৰ ঃ ....

২। তোমাৰ আঙুলিত হিচাপ কৰি একেশাৰীত যোগ কৰা। এটি তোমাৰ বাবে কৰি দিয়া হৈছে।

১+ ২ = ৩   ১+ ৩ = ☐   ২+ ২ = ☐

৩+ ২ = ☐   ১+ ০ = ☐   ০+ ২ = ☐

৪+ ২ = [ ]	৫+ ০ = [ ]	৩+ ৩ = [ ]
২+ ৭ = [ ]	৭+ ৩ = [ ]	১+ ৯ = [ ]

৩। যোগ কৰা।

১ + ১	২ + ২	৩ + ০	১ + ৩
৪ + ১	৫ + ২	৩ + ০	৭ + ৩
৩ + ৩	৪ + ৪	৫ + ৫	৫ + ৩
১ + ৪	৪ + ৩	৩ + ৬	৩ + ৫
২ + ৪	২ + ৩	৮ + ১	৯ + ১

শিক্ষকলৈ টোকা ঃ শিক্ষকে অধ্যায়টো বুজাওঁতে কেনেদেৰে নিজৰ আঙুলিত গননা কৰি বা আঁচ টানি সেইবোৰ হিচাপ কৰি যোগ অংক কৰিব পাৰি তাক বুজাই দিব।

অধ্যায়- ৭

যোগ নেওতা

যোগ নেওতা পঢ়াৰ নিয়ম হ'ল- এক যোগ এক সমান দুই নাইবা একে একে দুই। এক যোগ দুই সমান তিনি নাইবা একে দুইয়ে তিনি।

১ + ১ = ২	২ + ১ = ৩	৩ + ১ = ৪
১ + ২ = ৩	২ + ২ = ৪	৩ + ২ = ৫
১ + ৩ = ৪	২ + ৩ = ৫	৩ + ৩ = ৬
১ + ৪ = ৫	২ + ৪ = ৬	৩ + ৪ = ৭
১ + ৫ = ৬	২ + ৫ = ৭	৩ + ৫ = ৮
১ + ৬ = ৭	২ + ৬ = ৮	৩ + ৬ = ৯
১ + ৭ = ৮	২ + ৭ = ৯	৩ + ৭ = ১০
১ + ৮ = ৯	২ + ৮ = ১০	৩ + ৮ = ১১
১ + ৯ = ১০	২ + ৯ = ১১	৩ + ৯ = ১২
১ + ১০ = ১১	২ + ১০ = ১২	৩ + ১০ = ১৩

৪ + ১ = ৫	৫ + ১ = ৬	৬ + ১ = ৭
৪ + ২ = ৬	৫ + ২ = ৭	৬ + ২ = ৮
৪ + ৩ = ৭	৫ + ৩ = ৮	৬ + ৩ = ৯
৪ + ৪ = ৮	৫ + ৪ = ৯	৬ + ৪ = ১০
৪ + ৫ = ৯	৫ + ৫ = ১০	৬ + ৫ = ১১
৪ + ৬ = ১০	৫ + ৬ = ১১	৬ + ৬ = ১২
৪ + ৭ = ১১	৫ + ৭ = ১২	৬ + ৭ = ১৩
৪ + ৮ = ১২	৫ + ৮ = ১৩	৬ + ৮ = ১৪
৪ + ৯ = ১৩	৫ + ৯ = ১৪	৬ + ৯ = ১৫
৪ + ১০ = ১৪	৫ + ১০ = ১৫	৬ + ১০ = ১৬

৭	+	১	=	৮
৭	+	২	=	৯
৭	+	৩	=	১০
৭	+	৪	=	১১
৭	+	৫	=	১২
৭	+	৬	=	১৩
৭	+	৭	=	১৪
৭	+	৮	=	১৫
৭	+	৯	=	১৬
৭	+	১০	=	১৭

৮	+	১	=	৯
৮	+	২	=	১০
৮	+	৩	=	১১
৮	+	৪	=	১২
৮	+	৫	=	১৩
৮	+	৬	=	১৪
৮	+	৭	=	১৫
৮	+	৮	=	১৬
৮	+	৯	=	১৭
৮	+	১০	=	১৮

৯	+	১	=	১০
৯	+	২	=	১১
৯	+	৩	=	১২
৯	+	৪	=	১৩
৯	+	৫	=	১৪
৯	+	৬	=	১৫
৯	+	৭	=	১৬
৯	+	৮	=	১৭
৯	+	৯	=	১৮
৯	+	১০	=	১৯

১০	+	১	=	১১
১০	+	২	=	১২
১০	+	৩	=	১৩
১০	+	৪	=	১৪
১০	+	৫	=	১৫
১০	+	৬	=	১৬
১০	+	৭	=	১৭
১০	+	৮	=	১৮
১০	+	৯	=	১৯
১০	+	১০	=	২০

*শিক্ষকলৈ **টোকা** ঃ অধ্যায়টিত যোগ নেওতা দিয়া হৈছে যদিও ছাত্ৰ-ছাত্ৰীসকলক যোগ নেওতা মুখস্থ কৰাৰ ওপৰত জোৰ দিয়া উচিত নহয়। সিহঁতে যাতে নিজে নিজে হিচাপ কৰি যোগ কৰিব পাৰে শিক্ষকে তাৰ ওপৰত গুৰুত্ব দিব।*

মূল্যায়ন-২

দ্বিতীয় গোট পৰীক্ষা
প্ৰথম শ্ৰেণী
বিষয় ঃ গণিত

মুঠ নম্বৰঃ ২৫ **সময়ঃ ১ ঘন্টা**

১। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া। ১× ৫ = ৫

(ক) অংক কৰোঁতে সংখ্যাবোৰ কোন ফালৰ পৰা বহুৱাব লাগে?

(খ) তলত দিয়া সংখ্যাটোৰ দহকৰ ঘৰৰ অংকৰ চাৰিওপিনে ঘূৰণীয়া চিন দি চিহ্নিত কৰা।
২০৪

(গ) তলত দিয়া সংখ্যাটোৰ শতকৰ ঘৰৰ অংকৰ চাৰিওপিনে ঘূৰণীয়া চিন দি চিহ্নিত কৰা।
১১৪

(ঘ) তলত দিয়া সংখ্যাটোৰ হেজাৰৰ ঘৰৰ অংকৰ চাৰিওপিনে ঘূৰণীয়া চিন দি চিহ্নিত কৰা।
২০১৩

(ঙ) কোনো সংখ্যাৰ সোঁফালে এটা শূন্য (০) বহুৱালে ইয়াৰ মূল্য কেইগুণ বাঢ়ি যায়?

২। তলত দিয়া ছবিবোৰ গণনা কৰি সোঁফালৰ ঘৰত বহুৱাই যোগ কৰা। ২× ২ = ৪

(ক) 

(খ) 

৩। তোমাৰ আঙুলিত হিচাপ কৰি একে শাৰীত যোগ কৰা। ২× ৩ = ৬

(ক) ১+ ২ = (খ) ১+ ৩ = (গ) ২+ ২ =

৪। যোগ কৰা। ১× ৫ = ৫

(ক) ২ + ১

(খ) ৫ + ২

(গ) ৪ + ৩

(ঘ) ৬ + ২

(ঙ) ৭ + ৩

৫। ৩ ৰ ঘৰৰ যোগ নেওতাটো লিখা।

শিক্ষকলৈ টোকা ঃ ওপৰত দিয়া প্ৰশ্ন কাকতখন চৰম নহয়। ইয়াক অকল এক আৰ্হি হিচাপেহে দেখুওৱা হৈছে। শিক্ষকে নিজৰ মতে প্ৰশ্নকাকত প্ৰস্তুত কৰিব। বিদ্যালয়ত গোট পৰীক্ষা অনুষ্ঠিত কৰাৰ আগতে বিষয় শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক উক্ত আৰ্হি প্ৰশ্নকাকতখন বুজাই দি সমাধান কৰিবলৈ দিব।

গোট-৩

অধ্যায়- ৮

বস্তুৰ আকাৰ বা গঠনৰ ধাৰণা

আমি দৈনন্দিন জীৱনত বহুতো বস্তু দেখা পাওঁ বা ব্যৱহাৰো কৰোঁ। সেই বস্তুবোৰ নানান আকাৰ বা গঠনৰ হয়। ইয়াৰ কিছুমান ঘূৰণীয়া, কিছুমান চাৰিকোণীয়া, কিছুমান তিনিকোণীয়া ইত্যাদি।

আমি সততে দেখা পোৱা ঘূৰণীয়া বস্তুবোৰৰ ভিতৰত কিছুমান হ'ল বল, ঘড়ী, মুদ্ৰা, চকা, লাটুম, ইত্যাদি। । তলৰ ছবিবোৰ লক্ষ্য কৰা—

বল

ঘড়ী

মুদ্ৰা


চকা


লাটুম

ঘূৰণীয়া বস্তুবোৰক আমি বৃত্তাকৃতিৰ বুলি কওঁ। তলত দিয়া বৃত্তৰ চিত্ৰটো চোৱা।



আমি সাধাৰণতে দেখা পোৱা তিনিকোণীয়া বস্তুবোৰ হ'ল পতাকা, এবিধ জ্যামিতিক সঁজুলি আদি। তলৰ ছবিবোৰ লক্ষ্য কৰাঃ



পতাকা



এবিধ জ্যামিতিক সঁজুলি

তিনিকোণীয়া বস্তুবোৰক আমি ত্ৰিভূজ আকৃতিৰ বুলি কওঁ। ত্ৰিভূজৰ তিনিটা বাহু আৰু তিনিটা চুক থাকে। তলত দিয়া ত্ৰিভূজৰ চিত্ৰটো চোৱা।



আমি সাধাৰণতে দেখা পোৱা চাৰিকোণীয়া বস্তুবোৰ হ'ল ফলি, দবা ব'ৰ্ড, লুডু ব'ৰ্ড, ব্লাক ব'ৰ্ড আদি। তলৰ ছবিবোৰ লক্ষ্য কৰাঃ

ফলি

দবা ব'ৰ্ড



লুডু ব'ৰ্ড



ব্লাক ব'ৰ্ড

অনুশীলনী

১। তিনিটা ঘূৰণীয়া বস্তুৰ নাম লিখা।

২। এটি বৃত্তৰ চিত্ৰ অঁকা।

৩। ত্ৰিভূজ কাক কয়? এটা ত্ৰিভূজৰ চিত্ৰ অঁকা।

৪। চাৰিটা চাৰিকোণীয়া বস্তুৰ নাম লিখা।

৫। তলত দিয়া ছবিবোৰৰ আকৃতি কেনেকুৰা কোৱা।



শিক্ষকলৈ টোকা ঃ অধ্যায়টোত বস্তুৰ আকাৰ বা গঠনৰ প্ৰাথমিক ধৰণাহে দিয়া হৈছে। শিক্ষক-শিক্ষয়িত্ৰীয়ে পাঠটি বুজাওঁতে বস্তুৰ অন্যান্য আকৃতি যেনে ডিম্বাকৃতি, পঞ্চভুজ, আয়তক্ষেত্ৰ, বৰ্গক্ষেত্ৰ আদিৰ বিষয়েও ধাৰণা দিব পাৰে।

অধ্যায়-৯
সৰল বিয়োগ

কোনো বস্তুৰ পৰা কিছু বাদ দিয়া বা আঁতৰ কৰাক বিয়োগ কৰা বুলি কোৱা হয়। বিয়োগ বুজাবলৈ গণিতত (–) চিন ব্যৱহাৰ কৰা হয়। তলৰ উদাহৰণবোৰ লক্ষ্য কৰা ঃ

এঠাইত ছয়টা ঈগল চৰাই আছিল। তাৰ পৰা তিনিটা উৰি গুচি গ'ল। অৰ্থাৎ তাৰ পৰা তিনিটা বিয়োগ বা আঁতৰ হোৱাত তিনিটা থাকিল। গাণিতিক ভাষাত ইয়াক আমি এনেদৰে প্ৰকাশ কৰোঁ ঃ

৬ – ৩ = ৩

বিয়োগ কৰাক আমি এনেদৰে কওঁ ঃ ৬ ৰ পৰা ৩ গ'লে থাকিল ৩। বিয়োগ কৰি আমি যি পাওঁ তাক বিয়োগ ফল বোলা হয়। ইয়াত ৩ ক ৬ ৰ বিয়োগ ফল বোলে।

২ –১ = ১ ৩ –১ = ২ ৪ –২ = ২

আমি একেশাৰীত সংখ্যা বহুৱাই বিয়োগ কৰাৰ উপৰিও কোনো সংখ্যাৰ তলত বিয়োগ কৰিবলগীয়া সংখ্যাটো বহুৱাই তলত দিয়া ধৰণেও বিয়োগ কৰিব পাৰি ঃ

৩	৪	৭	৮
– ২	– ২	– ৩	– ৬
১	২	৪	২
উঃ ১	উঃ ২	উঃ ৪	উঃ ২

শূন্যৰ মান নাই বাবে আমি কোনো সংখ্যাৰ পৰা শূন্যক বিয়োগ নকৰোঁ। তথাপি গাণিতিক ভাষাত কোনো সংখ্যাৰ পৰা ০ ক বাদ দিয়া দেখুৱাব খুজিলে তলত দিয়া ধৰণে প্ৰকাশ কৰিব লাগে। যেনে ঃ

২	৪	৯	১০
– ০	– ০	– ০	– ০
২	৪	৯	১০
উঃ ২	উঃ ৪	উঃ ৯	উঃ ১০

অনুশীলনী

১। একেশাৰীত বিয়োগ কৰা। প্ৰথমটো তোমাৰ বাবে কৰি দিয়া হৈছে।

(ক) ২ – ১ = ১　　(খ) ৪ – ২ = ...

(গ) ৩ – ২ = ...　　(ঘ) ৫ – ১ = ...

(ঙ) ৭ – ৬ = ...　　(চ) ১০ – ২ = ...

(ছ) ৯ – ৩ = ...　　(জ) ৮ – ৩ = ...

১। বিয়োগ কৰা। প্ৰথমটো তোমাৰ বাবে কৰি দিয়া হৈছে।

(ক) ২ − ১ = ১

(খ) ৩ − ০

(গ) ৩ − ১

(ঘ) ৩ − ২

(ঙ) ৪ − ১

(চ) ৪ − ৩

(ছ) ৩ − ৩

(জ) ৫ − ৩

(ঝ) ৫ − ৪

(ঞ) ৬ − ৩

(ট) ৬ − ৪

ঠ) ৭ − ৫

(ড) ৮ − ৩

(ঢ) ৮ − ৫

(ণ) ১০ − ৯

শিক্ষকলৈ টোকা ঃ শিক্ষকে অধ্যায়টো বুজাওঁতে কেনেদেৰে নিজৰ আঙুলিত গননা কৰি বা আঁচ টানি সেইবোৰ হিচাপ কৰি বিয়োগ অংক কৰিব পাৰি তাক বুজাই দিব।

অধ্যায়- ১০

বিয়োগ নেওতা

বিয়োগ মানে বাদ দিয়া। বিয়োগ নেওতা পঢ়াৰ নিয়ম হ'ল- একৰ পৰা এক গ'লে থাকে শূন্য নাইবা এক বিয়োগ এক সমান শূন্য। দুইৰ পৰা এক গ'লে থাকে এক নাইবা দুই বিয়োগ এক সমান এক।

১	-	১	=	০
২	-	১	=	১
৩	-	১	=	২
৪	-	১	=	৩
৫	-	১	=	৪
৬	-	১	=	৫
৭	-	১	=	৬
৮	-	১	=	৭
৯	-	১	=	৮
১০	-	১	=	৯

২	-	২	=	০
৩	-	২	=	১
৪	-	২	=	২
৫	-	২	=	৩
৬	-	২	=	৪
৭	-	২	=	৫
৮	-	২	=	৬
৯	-	২	=	৭
১০	-	২	=	৮
১১	-	২	=	৯

৩	-	৩	=	০
৪	-	৩	=	১
৫	-	৩	=	২
৬	-	৩	=	৩
৭	-	৩	=	৪
৮	-	৩	=	৫
৯	-	৩	=	৬
১০	-	৩	=	৭
১১	-	৩	=	৮
১২	-	৩	=	৯

৪	-	৪	=	০
৫	-	৪	=	১
৬	-	৪	=	২
৭	-	৪	=	৩
৮	-	৪	=	৪
৯	-	৪	=	৫
১০	-	৪	=	৬
১১	-	৪	=	৭
১২	-	৪	=	৮
১৩	-	৪	=	৯

৫	-	৫	=	০
৬	-	৫	=	১
৭	-	৫	=	২
৮	-	৫	=	৩
৯	-	৫	=	৪
১০	-	৫	=	৫
১১	-	৫	=	৬
১২	-	৫	=	৭
১৩	-	৫	=	৮
১৪	-	৫	=	৯

৬	-	৬	=	০
৭	-	৬	=	১
৮	-	৬	=	২
৯	-	৬	=	৩
১০	-	৬	=	৪
১১	-	৬	=	৫
১২	-	৬	=	৬
১৩	-	৬	=	৭
১৪	-	৬	=	৮
১৫	-	৬	=	৯

৭	-	৭	=	০
৮	-	৭	=	১
৯	-	৭	=	২
১০	-	৭	=	৩
১১	-	৭	=	৪
১২	-	৭	=	৫
১৩	-	৭	=	৬
১৪	-	৭	=	৭
১৫	-	৭	=	৮
১৬	-	৭	=	৯

৮	-	৮	=	০
৯	-	৮	=	১
১০	-	৮	=	২
১১	-	৮	=	৩
১২	-	৮	=	৪
১৩	-	৮	=	৫
১৪	-	৮	=	৬
১৫	-	৮	=	৭
১৬	-	৮	=	৮
১৭	-	৮	=	৯

৯	-	৯	=	০
১০	-	৯	=	১
১১	-	৯	=	২
১২	-	৯	=	৩
১৩	-	৯	=	৪
১৪	-	৯	=	৫
১৫	-	৯	=	৬
১৬	-	৯	=	৭
১৭	-	৯	=	৮
১৮	-	৯	=	৯

১০	-	১০	=	০
১১	-	১০	=	১
১২	-	১০	=	২
১৩	-	১০	=	৩
১৪	-	১০	=	৪
১৫	-	১০	=	৫
১৬	-	১০	=	৬
১৭	-	১০	=	৭
১৮	-	১০	=	৮
১৯	-	১০	=	১০

শিক্ষকলৈ টোকা ঃ *অধ্যায়টোত বিয়োগ নেওতা দিয়া হৈছে যদিও ছাত্ৰ-ছাত্ৰীসকলক এইবোৰ নেওতা মুখস্থ কৰাৰ ওপৰত জোৰ দিয়া উচিত নহয়। সিহঁতে যাতে নিজে নিজে হিচাপ কৰি বিয়োগ কৰিব পাৰে শিক্ষকে তাৰ ওপৰত গুৰুত্ব দিব।*

মূল্যায়ন- ৩

তৃতীয় গোট পৰীক্ষা

প্ৰথম শ্ৰেণী

বিষয় ঃ গণিত

মুঠ নম্বৰঃ ২৫ **সময়ঃ ১ ঘন্টা**

১। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া। ১× ৫ = ৫

(ক) এটা ঘূৰণীয়া বস্তুৰ নাম লিখা।

(খ) এটা চাৰিকোণীয়া বস্তুৰ নাম লিখা।

(গ) এটা ত্ৰিভূজৰ ছবি আঁকা।

(ঘ) তলত দিয়া ছবিবোৰৰ আকৃতি কেনেকুৱা লিখা।



২। একেশাৰীত বিয়োগ কৰা। ১× ৫ = ৫

(ক) ২ – ১ = ... (খ) ৪ – ২ = ... (গ) ৩ – ২ = ...

(ঘ) ৫ – ১ = ... (ঙ) ৭ – ৬ = ...

৩। বিয়োগ কৰা ২× ৫ = ১০

(ক) ৬ − ৩ ______

(খ) ৬ − ৪ ______

(গ) ৭ − ৫ ______

(ঘ) ৮ − ৩ ______

(ঙ) ৮ − ৫ ______

৪। ৫ -ৰ ঘৰৰ বিয়োগৰ নেওতা লিখা। ৫

বিঃ দ্ৰঃ সাধাৰণতে পাঁচ / ছয় বছৰ বয়সৰ ল'ৰা-ছোৱালীসকল প্ৰথম শ্ৰেণীত ভৰ্তি হয়। এই বয়সত ল'ৰা-ছোৱালী অতি কোমলমতীয়া থাকে । সেয়ে বয়স আৰু মনস্তত্ত্বৰ লগত সঙ্গতি ৰাখি প্ৰথম শ্ৰেণীত অসমীয়া সংখ্যাৰ (১- ৰ পৰা ১০০ লৈকে) পৰিচয় কৰি দিয়াই যুগুত যদিও এই পুথিখনত সৰল যোগ আৰু সৰল বিয়োগৰ বিষয়েও ধাৰণা দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ বয়স আৰু মনস্তত্ত্বৰ দিশৰ পৰা অসংগত হ'ব বুলি বিবেচনা কৰি এই পুথিখনত চতুৰ্থ গোট অন্তৰ্ভুক্ত কৰা হোৱা নাই। শিক্ষক-শিক্ষয়িত্ৰীয়ে তৃতীয় গোট শেষ হোৱাৰ পিছত আগৰ অধ্যায়সমূহৰ পুনৰালোচনা কৰিব।